# নতুন সমস্যা

## আৰব আৰু মোগল

হৰ্ষবৰ্দ্ধনে উত্তৰ ভাৰতত যেতিয়া এখন শক্তিশালী ৰাজ্য গঢ়ে চীনৰ পৰিব্ৰাজক হীওয়েন্‌চাঙে নলন্দা বিশ্ববিদ্যালয়ত তেতিয়া শিক্ষালাভ কৰি আছিল। আৰব মৰুভূমিত সেই সময়তেই ইচ্‌লাম ধৰ্ম্মৰ উৎপত্তি হয়। হিজ্‌ৰাট্‌ আৰম্ভৰ লগে লগে ৬২২ খৃঃ ত প্ৰফেট হজৰত মহম্মদ মক্কা এৰি মদিনালৈ যাওঁতে ইচ্‌লাম ধৰ্ম্ম দৃঢ়ৰূপে প্ৰতিস্থা হওতে কিছু সময় লাগিল। তাৰ পাচত কিছুমান ঘটনা প্ৰবাহে অসম্ভৱ ভাবে ইচ্‌লাম ধৰ্ম্মৰ বিজয় পতাকা উৰাই পূবে সমগ্ৰ মধ্য এচিয়াকে ধৰি উত্তৰ আফ্ৰিকাৰ গোটেই মহাদেশ আৰু পশ্চিমে ফ্ৰান্স আৰু স্পেইন পৰ্য্যন্ত বিয়পি পৰিল। ৭১২ খৃঃত আৰব সকলে অৱৰোধ কৰি ৰখা ভাৰতৰ সিন্ধু প্ৰদেশৰ উত্তৰ-পশ্চিম কোণত ইচ্‌লাম ধৰ্ম্মৰ আবিৰ্ভাৱ হল। ভাৰতৰ এই খণ্ডক এখন বিৰাট মৰুভূমিয়ে পৃথক কৰি ৰাখিছে। আফ্ৰিকা আৰু ইউৰোপৰ মাজত থকা "জিব্ৰাণ্টৰ" প্ৰণালী পাৰ হৈ আৰব সকল ৭১১ খৃঃ ত স্পেইনত সোমায়। গোটেই স্পেইন দখল কৰি পীৰানীজ পাৰ হৈ ফ্ৰান্সত ভুৰট ৭৩২ খৃঃ ত চাৰ্লচ মাৰ্‌টোলে তেওঁলোকক পৰাস্ত কৰে।

ৰাজনৈতিক শক্তিৰূপে ইচ্‌লাম ধৰ্ম্ম ভাৰত সোমাইছিল। ইচ্‌লাম ধৰ্ম্ম ভাৰতত থিতাপী লওতে সময় লাগিল ৰাজনৈতিক ক্ষেত্ৰত জয়লাভ কৰাৰ ৬০০ ছশ বছৰৰ পাচত। আৰবৰ পৰা ভাৰত আহি পাওঁতে এই ধৰ্ম্মৰ ৰূপ বহু সলনি হল।

যাদুমন্ত্ৰৰ দৰে আৰব সকলে উল্লাহতে স্পেইনৰ পৰা মঙ্গোলীয়ালৈকে ইচ্‌লাম ধৰ্ম্ম প্ৰচাৰ কৰে। প্ৰকৃততে এওঁলোক ভাৰতলৈ অহা নাছিল। আৰবৰ সভ্যতা দুৰ্ব্বল হৈ অহাত মধ্য আৰু পশ্চিম এচিয়াত তুৰ্ক্‌ৰ বহু জনজাতি শক্তিশালী হৈ উঠে। এই তুৰ্ক্‌ৰ জনজাতি

আৰু আফগান সকলেই ভাৰতৰ দাঁতিত বসতি কৰি ইচ্‌লাম ধৰ্ম্মক ৰাজনৈতিক শক্তিৰূপে ভাৰতলৈ আনে।

পৃথিবীৰ অতীত বুৰঞ্জীয়ে এই প্ৰতাপশালী আৰৱ মৰুভূমিৰ বসতি কৰা লোক সকলৰ বিষয়ে একো উল্লেখ কৰা নাই। প্ৰফেট মহম্মদৰ ধৰ্ম্ম বানীত মানবীয়তাৰ ভ্ৰাতৃত্ব বন্ধনত অনুপ্ৰাণিত হৈ প্ৰবল প্ৰতাপী চলন্ত শক্তিৰূপে পৃথিবীত থিয় দিয়ে। আৰৱ মৰুভূমিৰ বিস্তীৰ্ণ ভূমি খণ্ডত আৰৱ সভ্যতাই বিস্মৃতিৰ বুকুৰ পৰা হঠাতে মুৰ দাঙ্গি উঠিল। ইয়াৰো আগতে ইচ্‌লাম ধৰ্ম্ম পাহৰনিৰ গহবৰত ডুবগৈ আছিল। আৰৱ পণ্ডিতৰ মতে ইচ্‌লাম ধৰ্ম্ম আগৰ কালচোৱাক "জেহীলিয়াত" বা অন্ধকাৰ কালচোৱা বুলিছিল।

আন আন সভ্যতাৰ দৰে আৰৱ সভ্যতাৰো "চেমিতিক" জাতি, ফিউনিয়ান্ জাতি, ক্ৰেতানচ্, কালডীনচ্ আৰু হিব্ৰু সকলৰ লগত সমন্ধ ঘটিছিল। ইজ্‌ৰাইল সকল কেথলীক্ কালডীনচ আৰু আন সকলতকৈ পৃথক আছিল। চেমিতিক সকলৰ লগত ইজৰাইল সকলৰ যুদ্ধ বিগ্ৰহ হয়। ওৱাইমেন সভ্যতৰ পৰাই ইচ্‌লাম ধৰ্ম্ম বিশেষভাৱে গঢ়ি উঠে। প্ৰফেট-মহম্মদৰ সময়ত আৰৱ ভাষা বৰ উন্নত ভাষা আছিল। পাৰ্শী আৰু ভাৰতীয় শব্দ এই আৰবীয় ভাষাৰ লগত মিহলি। আৰৱ সকলৰ দৰে ফিউনিচিয়ান সকলেও সাগৰ পাৰ হৈ বেহা বেপাৰ কৰে। দক্ষিণ চীনৰ "কেনতনত" ইচ্‌লাম ধৰ্ম্মৰ আগতে আৰৱ সকলে উপনিবেশ পাতে।

প্ৰফেট হজৰত মহম্মদে তেওঁৰ অনুগামী সকলক ইচ্‌লাম ধৰ্ম্ম বিলাই উৎসাহ উদ্দীপনাৰে প্ৰচণ্ড শক্তি দিলে। নতুন ধৰ্ম্মৰ পথ প্ৰবৰ্ত্তক হৈ প্ৰফেট মহম্মদে গোটেই মুছলমান জগতত এটা বিৰাট আলোড়ন তুলি পৃথিবীৰ বুৰঞ্জীৰ পট পৰিবৰ্ত্তন কৰে। আৰৱ জগতে যেতিয়া জয়ৰ নিচান উৰায় পশ্চিম, মধ্যএচিয়া আৰু উত্তৰ আফ্ৰিকাৰ ৰাজ্য সমূহৰ অৱনতি ঘটে। উত্তৰ আফ্ৰিকাক বিবাদমান খৃষ্টীয়ান ধৰ্ম্মী সকলৰ ভিতৰত হোৱা গৃহ যুদ্ধই নিশকটীয়া কৰিলে। খৃষ্টীয়ান

ধৰ্ম্ম সেই সময়ত বৰ ঠেক গণ্ডীৰ ভিতৰত আছিল আৰু বিশ্ব ভ্ৰাতৃত্বৰ বন্ধনত আপ্লুত হোৱা ইচ্‌লাম ধৰ্ম্মৰ পৰিপন্থী আছিল। সেই কাৰনেই গোটেই খৃষ্টীয়ান ধৰ্ম্মী সকলক ইচ্‌লাম ধৰ্ম্মই আকৰ্ষণ কৰে। আৰৱ সকলে তেওঁলোকৰ সভ্যতা সঘনে পৰিবৰ্ত্তন কৰি নতুন নতুন শক্তিশালী ইচলাম ধৰ্ম্মৰ আদৰ্শৰে অনুপ্ৰাণিত হল। "ডামাচকাচত" এওঁলোকে ৰাজধানী পাতি সহজ সৰল জীৱন যাত্ৰাৰ নিয়ম এৰি সচাৰ লগত মিছা যোৰা দি এক সভ্যতা গঢ়ি তোলে। এই সময় চোৱাকেই "আৰব চাইৰীয়ান" সভ্যতাৰ সময়চোৱা বোলে। বাইজেণ্টাইনৰ প্ৰভাবো এওঁলোকৰ ওপৰত পৰে। এওঁলোকৰ সৰহ সংখ্যক মানুহ আহি বাগদাদত উপস্থিত হোৱাত আগৰ ইৰাণ সকলৰ নিয়মত আসক্ত হৈ "আৰব পাৰস্য" সভ্যতা গঢ়ি তোলে। আৰব পাৰস্য সভ্যতাই তেওঁলোকে দখল কৰা ঠাইত প্ৰাধান্য লভে।

আৰব সকলে দেখাত যদিও বহু ঠাই দখল কৰে তথাপি প্ৰকৃততে ভাৰতৰ সিন্ধুপ্ৰদেশ পাৰ হৈ যাব নোৱাৰিলে। ইয়াৰ কাৰণ ভাৰত তেতিয়া শক্তিশালী আৰু আৰবৰ ভিতৰুৱা পৰিস্থিতি দুৰ্ব্বল। সেই কাৰনেই সিন্ধুপ্ৰদেশ বাগদাদৰ কেন্দ্ৰীয় শাসনৰ পৰা সুলকি পৰে। সিন্ধুপ্ৰদেশ এখন সৰু মুছলমান ৰাজ্যত পৰিণত হয়। আগৰ পৰাই ভাৰত আৰু আৰবৰ মাজত বন্ধুত্ব যোগাযোগ, ৰাজদূত আৰু ভ্ৰমণ-কাৰীৰ দল চলাচল কৰি আছিল। ভাৰতৰ কিতাপ বিশেষকৈ গনিত আৰু জ্যোতিষিশাস্ত্ৰ বাগদাদলৈ আনি আৰবীয় ভাষালৈ অনুবাদ কৰে। বহু ভাৰতীয় চিকিৎচকো বাগদাদলৈ গল। আৰবৰ ব্যৱসায় আৰু সভ্যতা উত্তৰ ভাৰতত আবদ্ধ নাথাকিল। পশ্চিম ভাৰতৰ সাগৰ পাৰত ব্যৱসায়ত দক্ষিণ ভাৰত বিশেষকৈ ৰাষ্ট্ৰকুটে আৰব সকলৰ লগত অংশ গ্ৰহণ কৰে। আৰবৰ লগত এনেভাৱে ভাৰতৰ মিলামিশাই নতুনকৈ গঢ়ি উঠা ইচলাম ধৰ্ম্মক বুজিবলৈ ভাৰতক সুবিধা দিলে। ইচ্‌লাম ধৰ্ম্ম প্ৰচাৰৰ কাৰণে ভাৰতলৈ খলিফাৰ মিশন আহিল আৰু ভাৰতে এওঁলোকক স্বাগত জনালে।

মুছলমান সকলে ভাৰতত বিনা প্ৰতিদ্বন্দ্বিতাই মসজিদ সাজিলে। হিন্দুধৰ্ম্ম আৰু ইচলাম ধৰ্ম্মৰ মাজত কোনো অৰিয়া অৰিৰো সৃষ্টি নহল কাৰণ ভাৰতৰ ধৈৰ্য্য আৰু সহিষ্ণুতাৰে সহ্য কৰা এটা বিষেশত্ব আছে। এনেকৈয়ে ইচ্‌লাম ধৰ্ম্ম ভাৰতত শিপাই পৰিল। ডামাচকাচত ওমেয়া খলিফাই আৰব সাম্ৰাজ্যৰ নতুন ৰাজধানী পাতি অতি সুন্দৰ কৰি তোলে। কিন্তু "আকচীয়া" "খালিফাই ৭৫০ খৃঃত ডামাচকাচৰ পৰা বাগদাদলৈ ৰাজধানী তুলি নিয়ে। এনেভাবে ভিতৰুৱা দন্‌খৰিয়াল হোৱাত স্পেইন কেন্দ্ৰীয় শাসনৰ পৰা বাদ পৰে। বাগদাদ ৰাজ্যত ক্ৰমান্নয়ে দুৰ্ব্বল হৈ সৰু সৰু ৰাজ্যত পৰিণত হল। "চেলুজক তুৰ্কী" মধ্য এচিয়াৰ পৰা আহি বাগদাদত পৰাক্ৰমী হৈ পৰিল। আব্বাচীয়া খালিফা এওঁলোকৰ নিৰ্দ্দেশত চলিল। আফ্‌গানিস্থানত চুলতান মহম্মদঘাজনী শক্তিশালী হৈ উঠে। এওঁ তৰ্ক্কৰ সুদক্ষ সেনাপতি আৰু যুজাৰু। খলিফাৰ শাসন অমান্য কৰি তেওঁৰ বিপক্ষে এওঁ থিয় দিয়ে।

সেই সময়ত ইউৰোপ মহাদেশ বিজ্ঞান আৰু শিল্পত বহু পিচ পৰি আছিল আৰু "কুবডুৱা" বিশ্ববিদ্যালয়েহে পোহৰ বিকিৰণ কৰিছিল।

জেৰুজেলম নগৰ উদ্ধাৰ কৰিবলৈ ( Cross ) "ক্ৰচ" আৰু ক্ৰীচেণ্ট ( Cresent ) অৰ্থাৎ গোঙ্গোৰা আৰু তুৰস্কৰ মাজত ৰাজ-পাটৰ কাৰণে ১০৯৫ খৃঃৰ পৰা ১৫০০ বছৰ যুদ্ধ ধৰি চলিল।

ইউৰোপ মহাদেশৰ নব জাগৰণৰ মিলিটেৰী শক্তি "ক্ৰুচেদ" পূব প্ৰান্তৰৰ কাৰনে জাগৃত হল। সুন্দৰ সাহিত্য, সুন্দৰ শিল্প, সুন্দৰ কাৰিকৰী বিদ্যা আৰু কামৰ দক্ষতা এই সকলো শিক্ষা ইউৰোপ মহাদেশে ক্ৰুচেদৰ পৰাই পালে। পীতাৰ হাৰমিতে কিন্তু এই বিলাক ঘৃণা কৰিছিল। ইউৰোপৰ নবজাগৰণ মিলিটেৰী শক্তি বল হ্ৰাস পাই অহাৰ লগে লগে এচিয়া মহাদেশৰ মাজভাগত কিছুমান প্ৰলয়ঙ্কৰ দুৰ্ঘটনা ঘটে। জেঙ্গীচ্ খাঁই এচিয়া মহাদেশৰ পশ্চিম প্ৰান্তত ধ্বংসাত্মক অভিজান আৰম্ভ কৰি দিলে।

## জেঙ্গীচ খাঁ

১১৫৫ খৃষ্টাব্দত মঙ্গোলীয়াত জেঙ্গীচ খাঁই জন্ম গ্ৰহন কৰে। ১২১৯ খৃঃত মধ্য এচিয়া শ্মশান ভূমিত পৰিণত কৰিবলৈ এওঁ ধ্বংসাত্মক অভিযান আৰম্ভ কৰে। এওঁ বুখৰা, হেৰাট, বালখ, ডাঙ্গৰ চহৰ দহলাখতকৈয়ো অধিক লোকৰ বসতিস্থল শ্মশান ভূমিত পৰিণত কৰিলে। ৰুচীয়াৰ কিঁউভলৈকে এওঁ গতি কৰিছিল। বাগদাদ যোৱাৰ পথত নপৰাৰ কাৰনে ৰক্ষা পৰিল। ৭২ বছৰ বয়সত ১২২৭ চনত এওঁৰ মৃত্যু হয়। ১২৫৮ চনত জেঙ্গীচখাঁৰ উত্তৰাধিকাৰী ইউৰোপলৈ যায়। "হুলগাই" বাগদাদ অধিকাৰ কৰে আৰু ৫০০ বছৰ জোৰা বিখ্যাত শিক্ষা আৰু শিল্পৰ কেন্দ্ৰ বাগদাদ ধ্বংস কৰে। এই আক্ৰমনে এচিয়া আৰব আৰু পাৰস্যৰ সভ্যতাত গভীৰ আঘাট কৰে। মঙ্গোলীয়ান সকলৰ সহায়ত আৰব আৰু পাৰস্যৰ সভ্যতা আফ্ৰিকাৰ উত্তৰ অংশ আৰু স্পেইনত ৰল। বাগদাদৰ বহু পণ্ডিত দলে দলে কিতাপ পুথি লৈ কেইৰো আৰু স্পেইনলৈ পলাই গল আৰু নতুন শিক্ষাৰ কেন্দ্ৰ মুকলি কৰে। গ্ৰানাডা ৰাজ্যই ২৫০০ শতাব্দী জুৰি উজ্জ্বল আৰব সভ্যতাৰ কেন্দ্ৰ হল। ১৪৯২ খৃঃত গ্ৰানাডা ৰাজ্য ফাৰ্দ্দিনান্দ আৰু ঈচোবেলাৰ তলতীয়া হল। স্পেইনতো আৰবৰ ক্ষমতা অন্ত পৰিল।

সেই তেতিয়াৰে পৰা কেইৰো আৰব সভ্যতাৰ কেন্দ্ৰ হল আৰু তুৰ্কীৰ তলতীয়া হৈ ৰল। ১৪৫৩ চনত অটমন তুৰ্কই কনষ্টান্টি-নুপোল হস্তগত কৰে আৰু ইউৰোপৰ নবজাগৰণৰ মিলিটেৰী শক্তিৰ জন্মদাতা সকলক মুক্ত কৰে।

মঙ্গোলীয়ান সকলে এচিয়া আৰু ইউৰোপ জয় কৰাৰ কাৰণে যুদ্ধৰ কিছুমান নতুন শিল্পৰ জন্ম হল।

জেঙ্গীচখাঁ সেই সময়ৰ এচিয়া আৰু ইউৰোপৰ এজন সুবিখ্যাত বীৰ। মধ্য এচিয়া আৰু পশ্চিম ইউৰোপ এওঁৰ আক্ৰমনৰ পৰা কানে কান মাৰিয়েহে ৰক্ষা পৰে। এওঁৰ পৰাই ইউৰোপে যুদ্ধৰ কৌশল

বিদ্যা লাভ কৰে। ইউৰোপে এওঁৰ পৰাই খাৰ বাৰুদৰ ব্যৱহাৰ শিকে।

মঙ্গোলসকল ভাৰত জয় কৰিবলৈ অহা নাছিল। সিন্ধুনদীৰ পাৰত থাকি ইফালে সিফালে ৰাজ্য জয় কৰিছিল। বিশাল এচিয়া পতন হৈ সৰু সৰু ৰাজ্যত পৰিণত হয়। ১৩৬৯ খৃঃত মাকৰ জৰিয়তে তুৰ্কৰ টাইমূৰে জেঙ্গীচখাঁৰ পথকে অনুসৰণ কৰে। এওঁ বাৰে বাৰে ভাৰতবৰ্ষ আক্ৰমন কৰে। চুমাৰকন্দ এওঁৰ ৰাজধানী। জেঙ্গীচখাঁৰ মৃত্যুৰ পাচত তেওঁৰ উত্তৰাধিকাৰী সকল শান্তিপ্ৰিয় আৰু কৃষি শিল্পত মনোযোগ দিয়ে। এনে পৰিবেশৰ ভিতৰতেই টাইমূৰৰ বংশধৰ সকলৰ জন্ম হয়। বাবৰেই ভাৰতত প্ৰথমে মোগল সাম্ৰাজ্য স্থাপন কৰে। ১৫২৬ খৃঃত এওঁ দিল্লী অধিকাৰ কৰে।

জেঙ্গীচখাঁ মুছলমান নাছিল। এওঁৰ নামাকৰণ চাই সকলোৱে মুছলমান বুলিয়েই ভাবে। কাৰণ ইচ্‌লাম ধৰ্ম্মৰ লগত এওঁৰ নামতো খাপ খোৱা। এওঁ পালন কৰা ধৰ্ম্মৰ নাম "সম" ধৰ্ম্ম। এই ধৰ্ম্ম স্বৰ্গীয় ধৰ্ম্ম। "সম" শব্দ এটা আৰব শব্দ বৌদ্ধ সকলে ব্যৱহাৰ কৰিছিল। ইয়াক "সমানি" ধৰ্ম্মও বোলে। এই শব্দ সংস্কৃত শ্ৰাৱন শব্দৰ পৰা আহিছে। বৌদ্ধ ধৰ্ম্মৰ গৌৰৱ লাঘৱ কৰি এই "সম" ধৰ্ম্ম এচিয়াৰ বহু ঠাই বিয়পি পৰিল। শেষত মঙ্গোলীয়া পালেগৈ। জেঙ্গীচখাঁ এই ধৰ্ম্মৰ প্ৰভাৱতেই বোধহয় বিখ্যাত হৈ উঠিল। এই "সম" ধৰ্ম্ম এতিয়াও "আৰ্কটিক চাইবেৰীয়া, মঙ্গোলীয়া, তাৰতুৰা আৰু মধ্য ছভিয়েট ৰুচীয়াত চলি আছে। আত্মা বা ভূতৰ ওপৰত নিৰ্ভৰ কৰিহে এই ধৰ্ম্ম চলিছে। বৌদ্ধ ধৰ্ম্মৰ লগত এই ধৰ্ম্মৰ কোনো সম্বন্ধ নাই। তীবেৰত দেশ বৌদ্ধ ধৰ্ম্মৰ অনুগামী। নিজৰ বিশ্বাস অনুযায়ী বৌদ্ধ ধৰ্ম্মৰ ভেটিতে "লামা" ধৰ্ম্মৰ নাম ললে। মঙ্গোলীয়াইয়ো বৌদ্ধ ধৰ্ম্মৰ সংমিশ্ৰনতে তেওঁলোকে পালন কৰা ধৰ্ম্মক "সম" বা "সামানি" ধৰ্ম্মলৈ ৰূপান্তৰিত কৰে। মধ্য এচিয়াৰ পৌৰাণিক ইতিহাসত চাৰিজন

বিখ্যাত বিজয়ীৰ নাম উল্লেখ আছে। ১। চিকাণ্ডৰ (এলেক্‌জেন্দাৰ) ২। চুলতান মহম্মুদ ৩। জেঙ্গীচ খাঁ আৰু ৪। টাইমূৰ।

এই চাৰিজনৰ পাচত ৫ম জন আহি লগ লাগিল। এওঁ যুদ্ধাৰুও নহয় আৰু বিজেতাও নহয়। এওঁক লৈ বহু পুৰনি ইতিহাসৰ সৃষ্টি হৈছে। এওঁৰ নাম "লেলিন" ছভিয়েট ৰুচীয়াৰ ভাগ্য নিয়ন্তা।

## আৰব সভ্যতাৰ পূৰ্ণাঙ্গ আৰু ভাৰতৰ লগত সম্বন্ধ

* * *

আৰবে এচিয়া ও আফ্ৰিকাৰ বহু অংশ জয় কৰি ইউৰোপৰো কিছু অংশ সামৰি লয়। ৰাজ্য জয় কৰাৰ পৰা তেওঁলোকৰ মন ঘুৰাই আনি বিজ্ঞানৰ নতুন পথলৈ মন মেলে।

৮ম আৰু ৯ম শতাব্দীত উৎসাহ উদ্দীপনাৰে ভৰপুৰ হৈ বিজ্ঞানৰ জোৱাৰ ভাট্টাত আৰব সকল উটি গল। আৰব সাম্ৰাজ্য ঠন ধৰি উঠিল। এই সময় চোৱা আৰবৰ বিশেষ মন কৰিব লগীয়া। এই সময় চোৱাতেই নতুন নতুন দেশৰ লগত আৰবসকলৰ সমন্ধ গঢ়ি উঠে।

আৰব দেশৰ ভ্ৰমণ কাৰী দেশ বিদেশলৈ গৈ সেই দেশৰ মানুহৰ লগত মিলি তেওঁলোকৰ জীৱন ধাৰণৰ সকলো পথ অনুকৰণ কৰি মিলি গল। বিদেশৰ পণ্ডিতে কিতাপ আদি আনি বাগদাদত অধ্যয়ন কৰে। বাগদাদ শিক্ষাৰ কেন্দ্ৰস্থল হয়। বিখ্যাত "আল মঞ্চুৰ" খলিফাই চাইৰীয়া, গ্ৰীক, লেটীন আৰু সংস্কৃতৰ কিতাপ আৰবীয়ান ভাষালৈ অনুবাদ কৰে। চাইৰীয়া, এচিয়া মাইনৰ আৰু লিভাননৰ পুৰনি বৌদ্ধ মন্দিৰত থকা হাতে লিখা পুথি সমূহ পাত পাতকৈ পঢ়ি তত্ত্ব বিশ্লেষন কৰে। খৃষ্টিয়ান ধৰ্ম্ম যাজক সকলে পুৰণি এলেক্‌জেন্দ্ৰয়াৰ স্কুল সমূহ বন্ধ কৰি দিয়াত বহু পণ্ডিত স্থানুচ্যত হয়। এওঁলোকৰ বহুজন পাৰস্য আৰু আন আন ঠাইলৈ যায়। বাগদাদত এওঁলোকে আদৰ পালে। আহোতে এওঁলোকে গ্ৰীক্ দেশৰ দৰ্শন

বিজ্ঞান আৰু গণিত শাস্ত্ৰ লগত আনিছিল। এই গ্ৰীক্ শাস্ত্ৰ সমূহৰ ভিতৰত প্ৰধান আছিল "প্লেতু" "এৰিষ্টটোল" "পলেমী" আৰু ইউক্লীদ। "নেষ্ট্ৰীয়ালজ্যো" বাগদাদলৈ অহা পণ্ডিত সকলৰ ভিতৰত প্ৰধান। এওঁ ভাৰতীয় চিকিৎসক দাৰ্শনিক আৰু গণিতজ্ঞও আছিল। এওঁ লোকৰ প্ৰভাৱ হাৰুনল ৰচীদ আৰু "আল্‌মামুনৰ" ৰাজত্বৰ সময় (৮ম আৰু ৯ম শতাব্দী) লৈকে আছিল। এই সময় চোৱাতেই ভাৰতৰ আৰবৰ লগত বিশেষ ভাবে যোগাযোগ স্থাপন হয়। ভৰতৰ পৰা আৰবে বহু শিক্ষা, অঙ্ক, জ্যোতিষি, গণনা আৰু চিকিৎসা বিজ্ঞান আদি লাভ কৰে। আৰব সকলৰ শিক্ষা লাভ কৰাৰ গভীৰ স্পৃহা সজাগ হৈ উঠে। ভাৰত কিন্তু শামুকৰ খোলাৰ ভিতৰতে সোমাই থাকিল।

বাগদাদৰ "বাৰমাক" বংশই ভাৰতীয় শিক্ষা আৰু বিজ্ঞানত বিশেষ গুৰুত্ব দিছিল। এনেকুৱা প্ৰবল ইচ্ছাই হাৰুনল-ৰচীদকো ৰাজমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰিলে। হাৰুনল ৰচীদৰ অসুখত ভাৰতৰ পৰা ভাৰততীয় চিকিৎসক "মান্নাক" আনি চিকিৎসা কৰাইছিল। "মান্নাক" তেওঁৰ চিকিৎসাৎ সন্তোষ্ট হৈ হাৰুনল ৰচীদে বাগদাদৰ এটা ডাঙৰ চিকিৎসালয়ত কোষাধ্যক্ষ পাতিলে। মান্না বাগদাদতে থাকি গ'ল। এওঁৰ বাহিৰেও বাগদাদত সেই সময়ত আৰু ছয়জন ভাৰতীয় চিকিৎসক আছিল।

জ্যোতিষি শাস্ত্ৰৰ অধ্যয়নতো আৰব সকল ভাৰত আৰু এলেকজেন্দ্ৰীয়াৰ মাধ্যমত উন্নতিৰ পথত আগুৱাই গল।"

আৰব দেশৰ বিখ্যাত গণিতজ্ঞ খুৱাৰীচাম আৰু কবি আৰু জ্যোতিষি "ওমৰখৈয়াম" দ্বাদশ শতাব্দীৰ। সুবিখ্যাত আৰবৰ চিকিৎসক হবুনবীণা আৰব দেশৰ "বুখাৰৰ" আৰু "আবুনাচৰ ফৰাবী আৰবৰ আন এজন সুবিখ্যাত দাৰ্শনিক।

ইবুন ৰাচেদে মাইকী মানুহক সমাজত সমান স্থান দিয়াত গুৰুত্ব দিছিল। এও দ্বাদশ শতাব্দীৰ দাৰ্শনিক। সংশোধন কৰিব নোৱাৰা

লোক সকলক সমাজৰ পৰা বহিঃস্কাৰ কৰিব লাগে বুলি তেওঁ দাবি কৰিছিল।

আৰব আৰু স্পেইন ইউৰোপৰ শিক্ষাৰ কেন্দ্ৰ আছিল। কুৰুডুৱাৰ পৰা অহা আৰব আৰু "জ্যো" পণ্ডিতে পেৰিচত বিশেষ সন্মান লাভ কৰিছিল।

মধ্য এচিয়াত আৰবৰ জকমকীয় সভ্যতা আৰু শিল্প ইৰাণ আৰু আৰবৰ পৰাই পাইছিল। সাহস আৰু শক্তি ও লাভ কৰে। অনুসন্ধানৰ স্পৃহাৰো ইৰাণে সমল যোগালে। জীৱনৰ মাধুৰ্য্যতা, কমনীয়তা, শিল্প আৰু আমোদও লাভ কৰিলে। এশবছৰ জেঙ্গীচ খাঁ আৰু মঙ্গোল সকলে এনে সভ্যতা আৰু শিল্প ওৰ পেলালে। ১০০ এশ বছৰৰ পাচত মধ্য এচিয়া আকৌ টোপনিৰ পৰা সাৰ পালে। চমাৰকণ্ড আৰু হেৰাটত মাৰ্ব্বল মুৰ্ত্তিৰ ৰংচঙোৱা শিল্পৰ কেন্দ্ৰ গঢ়ি উঠিল। আৰব আৰু পাৰস্যৰ মৰি যোৱা সভ্যতাক এই শিল্পই পুনৰ জন্ম দিয়ে। বিজ্ঞানে ইয়াত স্থান নাপালে। সেই কাৰণে ইচ্‌লাম ধৰ্ম্মই "সামৰিক" ধৰ্ম্মক হে সামৰি ললে।

এচিয়াত আৰব সকলৰ আচল প্ৰতিনিধি তুৰ্কী হে আছিল। আৰবৰ মানুহক এই প্ৰতিনিধি কৰিবলৈ দিয়া নাছিল। মঙ্গোল বিলাকেই শেহান্তৰত ভাৰতত মোগল বুলি জনাজাত হয়। পশ্চিম এচিয়াত মঙ্গোল সকল ইচ্‌লাম ধৰ্ম্মত দিক্ষিত হৈ মুছলমান হল। পূব এচিয়াৰ প্ৰান্তত আৰু মধ্য অংশত মঙ্গোল বিলাকে বৌদ্ধ ধৰ্ম্মও গ্ৰহণ কৰে।

## মহম্মদ ঘাজনী আৰু আফ্‌গান

৭১২ খৃঃত আৰব সকলে সিন্ধু অধিকাৰ কৰিলে। অধিকাৰ কৰি তাতেই বসতি কৰে। আৰব সকলৰ হাতৰ পৰা সিন্দু ফালৰি কাতি গৈ এখন সৰু মুছলমান ৰাজ্যত পৰিণত হয়। এনেভাবে আধা শতাব্দী পাৰ হ'ল। কোনো আক্ৰমণকাৰীয়েই ৩০০ তিনিশ বছৰলৈকে ভাৰত আক্ৰমণ কৰা নাছিল।

১০০০ এহেজাৰ খ্ৰঃত আফ্‌গানিস্থানৰ চুলতান মহম্মদ ঘাজনী মধ্যে এচিয়াত ক্ষমতাশালী হৈ উঠে। এওঁ কেইবাবাৰো ভাৰত আক্ৰমণ কৰে। এওঁ তুৰ্কী বংশধৰ আছিল। ধ্বংসৰ অভিযান চলাই বহুবাৰ ভাৰত লুটপাট কৰি বহু সাসম্পত্তি ভাৰতৰ পৰা নিয়ে। এওঁৰ সময়ৰ জাভাৰ "এলবাৰুনী" পণ্ডিতে উল্লেখ কৰিছে—মহম্মদ ঘাজনীৰ ধ্বংসাত্মক লুটপাটত ভাৰতৰ হিন্দু সকল এটম বোমাৰ ধুলিৰ কণিকা হৈ হাবিয়ে বননিয়ে যেনিয়ে তেনিয়ে সিচঁৰিত হৈ পৰিল। মহম্মদ ঘাজনীৰ এই আক্ৰমণ উত্তৰ ভাৰতত হে পৰিছিল। মধ্য, পূব আৰু দক্ষিণ এই আক্ৰমণৰ পৰা ৰক্ষা পৰিল।

মহম্মদ ঘাজনীয়ে উত্তৰ ভাৰত আক্ৰমণ কৰাৰ সময়ত দক্ষিণ ভাৰতত চোলা ৰাজ্যই ৰাজত্ব কৰিছিল আৰু সাগৰৰ নৌ-পথ হস্তগত কৰিছিল। চোলা ৰাজ্যৰ শক্তিশালী সৈন্য গৈ জাভা, সুমাত্ৰা আৰু শ্ৰীবিজয় পায়। ভাৰতৰ উপনিবেশো শক্তিশালী হৈ পৰে কিন্তু উত্তৰ ভাৰতক শত্ৰুৰ আক্ৰমণৰ পৰা এওঁলোকে উদ্ধাৰ নকৰিলে। মহম্মদ ঘাজনীয়ে পাঞ্জাব আৰু সিন্ধু দখল কৰি তেওঁৰ ৰাজ্যৰ অন্তৰ্ভূক্ত কৰে। বাৰে বাৰে মহম্মদ ঘাজনীয়ে ভাৰত আক্ৰমণ কৰি উভতি গ'ল। কাশ্মিৰ এওঁ জয় কৰিব নোৱাৰিলে। এই পৰ্ব্বতীয়া ৰাজ্যখনে তেওঁৰ আক্ৰমণৰ প্ৰত্যেক চেষ্টাকেই ব্যৰ্থ কৰিলে। কাঠিহাৰৰ সাবনাথৰ পৰা উভতি যাওঁতে ৰাজপুতনাৰ মৰুভূমি খণ্ডত ৰাজপুত সৈন্যই তেওঁক সম্পূৰ্ণে পৰাস্ত কৰাত প্ৰাণ লৈ কোনোমতেই মহম্মদ ঘাজনী পলাই সাৰে! সৈন্য সামন্ত সকলো ৰাজপুত সৈন্যৰ হাতত বন্দী হ'ল। মহম্মদ ঘাজনীৰ দলত থকা তুৰ্ক আৰু মোগল সৈন্য সকলৰ তিৰোতা বিলাকক ভাৰতীয় সৈন্যসকলে তিৰোতা কৰি ৰাখিলে।

মহম্মদ ঘাজনী দূৰদৰ্শিতাককৈ যুদ্ধাৰু ব্যক্তিহে আছিল। ধৰ্ম্মৰ বিপক্ষে থিয় হৈ তেওঁ যুদ্ধ কৰিছিল। ভাৰত তেওঁৰ মনত সোণ ৰূপৰ ভৰাল। ভাৰতত এটা সৈন্যদল গঠন কৰি তিলক নামৰ এজন

হিন্দু সেনাপতিৰ তলত ৰাখিছিল। এই সৈন্যদলকেই তেওঁ মধ্য এচিয়াৰ নিজা মুছলমান ধৰ্ম্মাৱলম্বী সৈন্যসকলৰ বিপক্ষে ঠিয় কৰায়। ঘাজনী নগৰখন পৃথিবীৰ ভিতৰত ধুনীয়া নগৰ কৰিবলৈ তেওঁ ভাৰতৰ পৰা নামজ্বলা ডাঙৰ শিল্পী, ইঞ্জিনীয়াৰ আদি নিছিল। ভাৰতৰ মথুৰা নগৰে তেওঁক বিশেষভাবে মন আকৰ্ষণ কৰিছিল।

যুদ্ধৰ অৱসৰ সময়ত মহম্মদ ঘাজনীয়ে নিজৰ জনমভূমিক শিল্পানুৰাগৰ কেন্দ্ৰস্থল কৰিবলৈ অশেষ যত্ন কৰিছিল। তাৰ কাৰণে তেওঁ নামজ্বলা বিশেষজ্ঞও গোটাইছিল। "চাহনামাৰ" লিখক পাৰস্যৰ নামজ্বলা কবি "ফাৰডুচি" প্ৰধান। শেষত এওঁ মহম্মদ ঘাজনীৰ পৰা আতৰি যায়।

"আলবাৰুণী" সেই সময়ৰে এজন পণ্ডিত আৰু ভ্ৰমনকাৰী। মধ্য এচিয়া লোক সকলৰ জীৱন ধাৰাৰ বিষয়ে এওঁৰ কিতাপত উনুকীয়াই। এওঁ পাৰ্শীয়ান বংশধৰ। খীভাৰ ওচৰত এওঁৰ জন্ম। বহু ঠাই ভ্ৰমণ কৰি এওঁ ভাৰতলৈ আহে আৰু ভাৰতৰো বহু ঠাই এওঁ ভ্ৰমন কৰে। দক্ষিণাত্যৰ চোলা ৰাজ্যৰ পানী বৈ যোৱা নলাৰ বিষয়ে এওঁ উল্লেখ কৰিছে। কাশ্মিৰত এওঁ সংস্কৃত অধ্যয়ন কৰে। ভাৰতৰ দৰ্শন, ভাৰতৰ বিজ্ঞান, ভাৰতৰ শিল্প বিদ্যা এওঁ অধ্যয়ন কৰে। ইয়াৰ আগেয়ে এওঁ গ্ৰীকৰ দৰ্শন ও বিজ্ঞান জানিবৰ কাৰণে গ্ৰীক্ ভাষা শিকে।

আলবাৰুনীৰ কিতাপ সমূহ সকলো বা বাতৰিৰে ভৰাল আছিল। যুদ্ধৰ বিভিষিকাই এৰি থৈ যোৱা ধ্বংস আৰু কান্দোনৰ দৃশ্য বিলাক এওঁ বৰ্ণনা কৰি মানুহক হিংসা আৰু ক্ৰোধৰ পৰা আঁতৰাই ৰাখিবলৈ বহু যত্ন কৰিছে।

মহম্মদ ঘাজনীৰ ভাৰত আক্ৰমণ ভাৰত বুৰঞ্জীৰ এটা ডাঙৰ ঘটনা। এওঁৰ আক্ৰমণে ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত কোনো পৰিবৰ্ত্তন আনিব নোৱাৰিলে কিন্তু উত্তৰ আৰু পশ্চিম ভাৰতলৈ নতুন চিন্তা আৰু নতুন অৰ্থ নৈতিক পৰিবৰ্ত্তন আনিলে। মহম্মদ ঘাজনীৰ

ভাৰত আক্ৰমনেই ভাৰতত মুছলমান সৈন্য আৰু ইচ্‌লাম ধৰ্ম্মৰ দুৱাৰ মুকলি কৰে।

৩০০ তিনিশ বছৰলৈকে ভাৰতত ইচ্‌লাম ধৰ্ম্ম আন কোনো ভাৰতীয় ধৰ্ম্মৰ লগত দনখৰিয়াল নলগাকৈ চলি থাকিল। এই নতুন ধৰ্ম্মৰ প্ৰবৰ্ত্তনে ভাৰতীয় মানুহৰ অন্তৰত শক্তিশালী মানসিক প্ৰতিক্ৰিয়াই দেখা দিলে। মানুহৰ মন তিক্তভাৱে পৰিপূৰ্ণ হ'ল যদিও নতুন ধৰ্ম্মৰ উত্থাপনত কোনেও আপত্তি কৰা নাছিল তথাপি চলিত জীৱনৰ সোঁতে ধৰ্ম্মৰ জবৰদস্তিতাত হঠাতে বাধা পোৱাত আৰু স্বাধীন কৰ্ম্মপন্থাই হঠাতে ৰূপ সলনি কৰিব লগা হোৱাত মানুহৰ মন অশান্তিৰে ভৰপূৰ হ'ল।

ভাৰতবৰ্ষ সকলো ধৰ্ম্মৰেই দেশ। যদিও হিন্দু ধৰ্ম্মই নানান প্ৰকাৰে ভাৰতীয় মানুহৰ মনত বিশ্বাস আৰু প্ৰভাব পেলাইছে তথাপি আন ধৰ্ম্মইয়ো কোনো অসুবিধাৰ সন্মুখিন নোহোৱাকৈ চলিয়েই আছে। বৌদ্ধ ধৰ্ম্ম আৰু জৈন্য ধৰ্ম্মৰ বাহিৰেও ইয়াত খৃষ্টীয়ান ধৰ্ম্মও আছে।

মহম্মদ ঘাজনী মামুদ নামে বিজেতা হৈ ভাৰতলৈ আহি পাঞ্জাব প্ৰদেশ হস্তগত কৰে। শাসকৰূপে আগৰ চলিত প্ৰথা গুচাই নতুন পদ্ধতিৰে মানুহৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা চলালে। হিন্দু সকলক ডাঙৰ ডাঙৰ পদবী দি শাসনকাৰ্য্যত নিয়োগ কৰিলে। মনৰ স্বাধীনতাতো কোনো হস্তক্ষেপ নকৰিলে।

১০৩০ খৃঃত মহম্মদ ঘাজনী বা মামুদৰ মৃত্যু হয়। এওঁৰ মৃত্যুৰ পাচত ১৬০ বছৰলৈকে বিদেশীৰ আক্ৰমণ নোহোৱাকৈ ভাৰত ৰ'ল। তুৰ্কী সকলৰ শাসন পাঞ্জাবৰ বাহিৰে ভাৰতৰ আনঠাইলৈ বিয়পি নগল। আফ্‌গানৰ চাহাবুদ্দিন ঘোড়ীয়ে ঘাজনী ৰাজ্য দখল কৰি ঘাজনী সাম্ৰাজ্যৰ সমাধি ঘটায়।

চাহাবুদ্দিন ঘোড়ীয়ে সৈন্য সামন্তলৈ লাহোৰলৈ আগুৱাই গল আৰু দিল্লী পালে গৈ। দিল্লীৰ ৰজা পৃথ্বিৰাজে এওঁক সম্পূৰ্ণে পৰাস্ত

কৰে। চাহাবুদ্দিন পৰাজিত হৈ আফগানিস্থানলৈ উভতি গল। পাচৰ বছৰত এওঁ বাচক বনীয়া আন এদল সৈন্যলৈ দিল্লী আক্ৰমণ কৰে। এইবাৰ এওঁ বিজয়ী হৈ দিল্লীৰ সিংহাসনত বহে ইংৰাজী ১১৯২ খৃঃঅ।

পৃথ্বীৰাজ সৰ্ব্ব বিদিত এজন ৰাজপুত বীৰ। এওঁৰ গুণ গৰিমা সাধুকথাৰে ভাৰতীয় মানুহে আজিও সোঁৱৰে। কনৌজৰ ৰজা জয়চন্দ্ৰৰ জীয়েক সংযুক্তাৰ লগত পৃথ্বীৰাজ গোপনে প্ৰেম পাশত আৱদ্ধ হয়। পৃথ্বীৰাজৰ লগত জয়চন্দ্ৰৰ দিল্লী সিংহাসন লৈ বিৰুদ্ধিতা হয়। সেই কাৰনে কনৌজৰ ৰজা জয়চন্দ্ৰই জীয়েক সংযুক্তাক পৃথ্বীৰাজলৈ দিবলৈ অমান্তি হয়। পৃথ্বীৰাজে সংযুক্তাক পলুৱাই নিয়ে। জয়চন্দ্ৰই লাজ পাই মহম্মদ ঘোড়ীৰ আশ্ৰয় লয়। মহম্মদ ঘোড়ীয়ে জয়চন্দ্ৰক লৈ পৃথ্বীৰাজৰ বিৰুদ্ধে যুদ্ধ চলায়।

জয়চন্দ্ৰ আৰু পৃথ্বীৰাজৰ মাজত ভয়াময় ৰণ হল। দুয়ো পক্ষই যুদ্ধত বহু সৈন্য ও সাহসীয়াল বীৰ হেৰুৱায়। দিল্লী আৰু মধ্যভাৰতৰ সাহস ও পৰাক্ৰম এই যুদ্ধই ভালকৈ চিনাকী দিয়ে। এজনী ছোৱালীক ভাল পোৱাৰ কাৰণেই পৃথ্বীৰাজে দিল্লীৰ সিংহাসন হেৰুৱালে আৰু প্ৰানো বিসৰ্জ্জন দিলে। দিল্লীৰ সিংহাসন ভেতিয়াৰ পৰা বিদেশী শক্তিৰ অধীনলৈ আহিল।

সেই প্ৰেমৰ কাহিনী আজিও মানুহৰ মুখে মুখে। জয়চন্দ্ৰক বিশ্বাসঘাটকীৰূপে আজিও মানুহে উপমা দি কথা কয়।

## ইন্দু-আফগান, দক্ষিণ ভাৰত, বিজয় নগৰ, বাবৰ, সাগৰ শক্তি

ভাৰত বুৰঞ্জীক ইংৰাজ আৰু ভাৰতীয় বুৰঞ্জী লিখকে বিশেষকৈ তিনিভাগে বিভক্ত কৰিছে—যেনে :—

১। অতীত বা হিন্দু শাসন।

২। মুছলমান শাসন।

৩। বৃটীশ শাসন।

ভাৰতৰ অতীত কালচোৱা পৰিবৰ্ত্তনেৰে ভৰপুৰ। গৌৰব উজ্জ্বল অতীত মাধুৰী অৱশেষত শুকাই কেনিবাদি মৰহি গ'ল। ঠন ধৰি উঠা মধ্য যুগ বা মুছলমানৰ শাসন কালচোৱাৰ আকৌ পৰিবৰ্ত্তনৰ হেন্দোলনিৰ খলকনি আহিল। ইউৰোপৰ জলদস্যুয়ে পশ্চিম আৰু দক্ষিণ ভাৰতত বাণিজ্যৰ কোঠ মাৰিলে।

মুছলমান শাসক সকল আহি ভাৰতৰ লগত মিলি ভাৰতকে আপোন মাতৃভূমিত পৰিণত কৰি ভাৰতীয়ৰ লগত বিয়া বাৰুৰ সমন্ধ ঘটাই স্বাধীন হৈ ৰল।

বৃটীশ শাসক সকল আহি আগৰ সকলো নিয়ম পদ্ধতি উঠাই দি বেলেগ ক্ৰিয়া কৌশলেৰে শাসন প্ৰণালী প্ৰয়োগ কৰিলে। গতিকে ভাৰতত নতুন গতি শক্তিৰ উদ্ভব হ'ল। এই গতি শক্তি ইউৰোপৰ। ৰাজনৈতিক আন্দোলনৰ শাসন আৰু ব্যৱসায়ৰ সংস্কৰণ কৰি ভাৰতত নতুন গঢ়ত এই গতি শক্তি গঢ়ি তুলিলে। শিল্প আৰু বাণিজ্য মুৰ দাঙি উঠিল।

আমেৰিকা আৰু ফ্ৰান্সৰ আন্দোলনে এই গতি কিছু দূৰ আগুৱাই নিলে। ভাৰতৰ ওচৰত বৃটিছ সকল বিদেশী হৈয়ে ৰ'ল। ভাৰতৰ শাসন ক্ষমতা সসগৰা পৃথিবীৰ আঁতৰৰ পৰা পৰিচালিত হ'ল। ভাৰতত ইংৰাজ সকলে নিজ আদৰ্শ স্বৰূপে উপনিবেশ স্থাপন কৰি নিজৰ শাসন ক্ষমতাৰে দীৰ্ঘকাল জুৰি ভাৰত বুৰঞ্জিৰ পথ পৰিবৰ্ত্তন কৰে।

মামুদঘোৰী ভাৰত আক্ৰমণ বিদেশী তুৰ্কবহে আক্ৰমণ। পঞ্জাবৰ বাহিৰে এই আক্ৰমণে ভাৰতক আপোন কৰি লব নোৱাৰিলে। ১২ শ শতাব্দীত যি সকল আফগান ভাৰতলৈ আহিছিল, সেই সকল বেলেগ আছিল। এওঁলোক হিন্দু আৰ্য্য সকলৰ লগত ঘনিষ্ঠ সম্বন্ধত বান্ধ খায়। সময়ৰ সোতত আফগানিস্থান ভাৰতৰ অঙ্গ হৈ পৰিল। ভাষা পাহতু সংস্কৃতৰ পৰা ওলাই আহিল। আফগানিস্থানত ভাৰতৰ পূৰনি বৌদ্ধ ধৰ্ম্মৰ কীৰ্ত্তি- কলা যি ভগ্নাংশ পোৱা যায় আন ঠাইত তেনে পোৱা নাযায়। আফগান সকলক

হিন্দু-আফগান কলেহে শুদ্ধ হব। ভাৰতৰ সমতল ভূমিৰ লগত এওঁলোকৰ অমিল। কাশ্মীৰ উপত্যকাৰ মানুহৰ লগটো ভাৰতৰ আন আন গ্রীষ্ম প্রধান মানুহৰ অমিল। এনে বিভিন্নতাৰ স্বত্বেও কাশ্মীৰ ভাৰতীয় কৃষ্টি সভ্যতাৰ এখন প্রসিদ্ধ ঠাই হৈয়েই ৰ'ল। আফগানসকল আৰব সভ্যতাৰ অনুগামী। পার্চীয়ানসকল এওঁলোকৰ অমিল।

আফগান সকল পাহাৰৰ দৰে কঠিন। দৃঢ় বিশ্বাসী আৰু যুদ্ধাৰু। ভাৰত আক্রমণ কৰি দিল্লীত এওঁলোকে ৰাজধানী পাতে। মাঝে মাঝে ভাৰতীয়ৰ লগত মিলি বিয়া বাৰু সম্বন্ধত আবদ্ধ হ'ল। ভাৰত এওঁলোকৰ মাতৃভূমিত পৰিণত হ'ল। বিখ্যাত শাসন কর্ত্তা আল্লাদ্দিন খিলিজিয়ে এগৰাকী হিন্দু ছোৱালী বিয়া কৰায়। আল্লাউদ্দিনৰ পুতেকেও হিন্দু কন্যা বিয়া কৰায়। এওঁলোকৰ পিছৰ শাসকসকল তুর্কীৰ বংশধৰ। কুতুবুদ্দিন আইবাক চুলতানা ৰেজীয়া আৰু ইলুতদমাছ প্রধান। এওঁলোকৰ সৈন্য সামন্ত আৰু ৰাজবিষয়া আফগানেহ আছিল। দীল্লৰ ৰাজধানীও জকমকাই আছিল।

১৪ শ শতাব্দীৰ মৰকপূৰ পৰিব্রাজক ইবুনবাতোতাই কেৰোইৰ পৰা কণ্টোনিপোল আৰু চীনলৈকে গোটেই পৃথিবী ভ্রমন কৰি দিল্লী নগৰক বিশ্ব ব্রহ্মাণ্ডত ডাঙৰ চহৰ বুলি বর্ণনা কৰিছে।

দিল্লীৰ চুলতান ক্রমান্বয়ে দাক্ষিনাত্যলৈ আগুৱাই গ'ল। মহা প্রতাপী চোলা ৰাজ্যৰ ক্ষমতা হ্রাস পালে। ইয়াৰ ঠাইত এটা নতুন সাগৰ শক্তি গঢ়ি উঠিল। এই শক্তি হল পাণ্ডু। ইয়াৰ ৰাজধানী মাদুৰা। কেৰালত এই ৰাজ্যৰ সাগৰৰ বন্দৰ হ'ল—কেৰালপূৰ সাগৰৰ দাঁতিত আৰু ব্যবসায়ৰ কেন্দ্রস্থল।

১২৮৮ আৰু ১২৯৩ খৃঃ ত মার্কোপলে এই ৰাজ্য দুবাৰকৈ পৰিদর্শন কৰে। এওঁ মাদুৰা চহৰ খনক ডাঙৰ চহৰ বুলি কয়। চীন আৰু আৰব দেশৰ ব্যবসায়ী জাহাজেৰে কেৰাল বন্দৰ ভৰি আছিল। সৰু সৰু মল মল সুঁতাৰ বিষয়ে মর্কোপলে তেওঁৰ

লিখনিত উন্মুকিয়াই গৈছে। এই মিহিৰ কোমল মল মল সুঁতা ভাৰতৰ পূৱ সাগৰৰ দাঁতিত তৈয়াৰ হৈছিল। আৰব আৰু পাৰস্য দেশৰ বহুসংখ্যক ঘোঁৰা সাগৰ পাৰ কৰি দক্ষিণ ভাৰতলৈ আমদানি কৰা হৈছিল, ঘোঁৰাৰ কাৰণে দক্ষিণৰ হাৱা বতাহ উপযোগী।

ঘোঁৰাৰ উপাদানৰ স্থান মধ্য আৰু পশ্চিম এচিয়া। সেই কাৰণে মধ্য এচিয়াৰ জাতি সমূহ যুদ্ধৰ কাৰনে পাকৈত। জেংগিচখাৰ মোগল সৈন্য সকল পাকৈত আশ্বাৰোহী আৰু ঘোঁৰা পালনত বৰ পৈনত। তুৰ্কীসকলো সুন্দৰ অশ্বাৰোহী আছিল। ঘোঁৰাৰ প্ৰতি থকা আৰব সকলৰ মৰম চিৰস্মৰণীয়।

ভাৰতৰ উত্তৰ আৰু পশ্চিমৰো কিছু ঠাই ঘোৰা উৎপাদনৰ উপযোগী ঠাই। বিশেষকৈ কাঠীয়াৰ আৰু ৰাজপুতনা। ৰাজপুত সকল সুন্দৰ অশ্বাৰোহী। ঘোৰাৰ ওপৰত উঠিয়েই এওঁলোকে যুদ্ধ কৰে।

১৪০০ খ্ৰীষ্টাব্দৰ শেষ ভাগত ভাৰতৰ পৰা টাইমুৰ বা টৈমুৰলঙ্গ আহি দিল্লীৰ চুলতানক যুদ্ধত পৰাস্ত কৰে। টাইমুৰ দিল্লীত কেইমাহ মানহে আছিল। দিল্লীৰ পৰা উভতি যাওতে যি পথেদি উলটিছিল সেই পথৰ গাও ভূঁই শ্মশান ভূমিত পৰিণত কৰিছিল। দিল্লী নগৰো মানুহৰ মৰা শৰহে চহৰ হল। সৌভাগ্যক্ৰমে বেচি দূৰ তেওঁ আগুৱাই যাব নোৱাৰিলে। পাঞ্জাৱ আৰু দিল্লীহে তেওঁৰ কবাল গ্ৰাসত পৰিল।

দিল্লী মৃত্যু শয্যাৰ পৰা সাৰ পাই উঠিবলৈ বহুদিন লাগিল। যেতিয়া সাৰ পালে তেতিয়া দেখিলে যে বহু সৰু সৰু ৰাজ্যৰ জন্ম হৈ বিশাল সাম্ৰাজ্যৰ ৰাজধানী দিল্লী নগৰ জঁয় পৰি গল।

টাইমুৰৰ ভাৰত আক্ৰমণে বিশাল সাম্ৰাজ্য ভাঙি চুৰমাৰ কৰিলে। দক্ষিণাত্যত তাৰ পৰিবৰ্তে বহু সৰু সৰু ৰাজ্যৰ জন্ম হল। এই বিলাক ৰাজ্যৰ ভিতৰত প্ৰধান হল গুলবাগ বামনি ৰাজ্য আৰু বিজয়নগৰ।

বামুনি ৰাজ্য আফ্‌গান মুছলমানৰ হিন্দু ৰাণীৰ দ্বাৰা গঢ়া আৰু বিজয়নগৰ শুদ্ধ হিন্দুৰাজ্য। গুলবাৰ্গ ৰাজ্য ৫ খণ্ডত বিভক্ত হ'ল আৰু আহম্মদ নগৰ ইয়াৰে একখণ্ড।

১৪৯০ চনত আহম্মদ নগৰ আহম্মদ নিজামে স্থাপন কৰে। এওঁ নিজাম উল্‌মূলক্ ভাইৰীৰ পুত্ৰ। নিজাম উলমূলক বাহমনি ৰাজ্যৰ মন্ত্ৰী আছিল। এই নিজাম্ উল্‌মূল্ক ভাইৰু নামৰ এজন ব্ৰাহ্মন একাউণ্টেটৰ পুত্ৰ আছিল। সেই দেখি আহম্মদ নগৰৰ বংশধৰ সকল গোৰা হিন্দুৰ আৰু আহম্মদ নগৰৰ বীৰঙ্গনা "চাঁদবিবি" হিন্দু আৰু মুছলমানৰ ঔৰসৰ। দক্ষিণাত্যৰ সকলো মুছলমান ৰাজ্য ভাৰতীয় হৈ পৰিল।

টাইমূৰৰ আক্ৰমণত উত্তৰ ভাৰত দুৰ্ব্বল হল আৰু বহু ৰাজ্যত বিভক্ত হল। দক্ষিণাত্যৰ ৰাজ্য সমূহ শক্তিশালী হৈ ৰ'ল। তাৰ ভিতৰত বিজয়নগৰ প্ৰধান। এই নগৰে উত্তৰ ভাৰতৰ বহু প্ৰবাসী হিন্দুক আকৰ্ষণ কৰে। বিজয়নগৰ ডাঙৰ চহৰ আৰু সৌন্দৰ্য্যৰ মনোৰম ঠাই। এই নগৰত ধুনীয়া তোৰন ধুনীয়া ধুনীয়া নাট্যশালা আৰু সবাটোকৈ ধুনীয়া ৰজাৰ কাৰেং মনোমোহা হৈ আছে।

ৰজাৰ কাৰেংৰ চাৰিউকাষে সৰু সৰু ঝৰণা পাথৰৰ সুৰঙ্গৰ মাজেদি বৈ গৈছে। ফুল বাগিছাৰে গোটেই নগৰ পৰিপূৰ্ণ। ইটালীয়ান কেইবাগৰাকী পণ্ডিতে এই চহৰৰ বৰ্ণনা কৰিছে। পৰ্ত্তুগীজৰ "পাইজে" লিখিছে—

"বিজয়নগৰ ৰোমতকৈয়ো ডাঙৰ চহৰ। এই নগৰত অসংখ্য হ্ৰদ, সৰু ধুনীয়া ঝৰণা, পানী বৈ যোৱা নল, ফলমূলৰ বাগিছাৰে ভৰপুৰ। কাৰেঙৰ দৰবাৰ হাতীৰ দাঁতৰে বন্ধোৱা। ইয়াৰ ওপৰত লতা গোলাপ আৰু পদুম ফুলৰ কাম কৰা।"

যি সময়ত দক্ষিণাত্যত বিজয় নগৰ প্ৰতাপশালী হৈ উঠিছিল সেই সময়ত দিল্লীত নিসকতীয়া নিৰীহ চুলগনে নতুন শত্ৰুৰ সন্মুখিন হব লগা হল। ভাৰতৰ উত্তৰ পৰ্ব্বত খণ্ডৰ পৰা শত্ৰু আহি দিল্লী আক্ৰমণ কৰে আৰু বিখ্যাত পানীপটৰ যুদ্ধত ১৫২৬ খ্ৰীষ্টাব্দত

বাবৰে দিল্লী সিংহাসনত বহে। বাবৰ আছিল মধ্য এচিয়াৰ তুৰ্ক বা মঙ্গোলীয়ান পৰিয়ালৰ টৈমুৰৰ বংশধৰ। এই বাবৰৰ পৰাই ভাৰতত মোগল শাসন আৰম্ভ হয়। এই সময়ৰ পৰাই ভাৰতত বিজ্ঞান জগতত পিচ পৰি গল আৰু ইউৰূপ দ্রুত গতিত আগবাঢ়িল।

মোগলে ২০০ বছৰ কাল ভাৰত শাসন কৰে। এই কালছোৱা যদিও শক্তিশালী আৰু উন্নত আছিল তথাপি ১৭০০ খ্রীষ্টাব্দৰ পৰা ইউৰূপৰ লগত সামৰিক শক্তিত ফেৰ মাৰিব নোৱাৰো হল। ভাৰতৰ সাগৰ শক্তি দমন কৰি তেতিয়াও কোনো বিদেশী শক্তি ভাৰত সোমাব পৰা নাছিল। ১৩০০খ্রীষ্টাব্দত দক্ষিণ ভাৰতৰ চোলা ৰাজ্যৰ পতনৰ লগে লগে ভাৰতৰ সাগৰ শক্তি দুৰ্ব্বল হল। এই সময়তেই ইউৰূপে সাগৰশক্তি শক্তিশালী কৰি তোলে।

১৫০০ খৃঃতলৈকে ভাৰতৰ উপনিবেশে ভাৰতমহাসাৰত সাগৰ শক্তিক এওঁলোকক দমন কৰে।

## ভাব আৰু সভ্যতাৰ সংমিশ্রণ

পৰ্দ্দা : কবীৰ : গুৰু নানক আৰু আমিৰ খুচৰাও।

ভাৰতৰ মুছলমান ধৰ্ম্মৰ আক্রমণ বা মুছলমান যুগ বুলিলে ভুল হব। তেনেকৈ খৃষ্টিয়ান ধৰ্ম্মৰ আক্রমণ বা খৃষ্টিয়ান যুগ বুলিলেও ভুল হব। মুছলমান ধৰ্ম্মই ভাৰত আক্রমণ কৰা নাছিল। বহু শতাব্দীৰ আগেয়েই মুছলমান ধৰ্ম্ম ভাৰত আহি পাইছিল। তুৰ্কী সকলে ভাৰতত আক্রমণ চলালে। তাৰ পাচত আফগান আৰু শেষত মোঙ্গল বা মোগলে ভাৰত আক্রমণ কৰিলে। আফগান আৰু মোগলৰ আক্রমনেহ প্ৰধান।

আফ্‌গান সকলৰ ভাৰতৰ সীমা মৰলীয়া দেশ বুলি কব পাৰি। এওঁলোক ভাৰতৰ অচিনাকী নহয়। এই সময়কেই ইন্দূ আফ্‌গান সময় বোলে। মোগল সকল ভাৰতৰ ওচৰত অচিনাকী আৰু ভাৰতৰ বাহিৰৰ। এওঁলোক অচিনাকী হলেও ভাৰতীয়ৰ লগত সকলো

বিষয়তে মিলি পৰিল; এওঁলোকৰ সময় চোৱাকেই ইন্দু মোগল সময়চোৱা বোলে।

পৰিস্থিতি অনুযায়ী মোগল শাসক সকল ভাৰতীয় সকলৰ লগত মিলি গল। ভাৰতেই নিজ দেশ হল আৰু তেওঁলোক ভাৰতৰেই বংশধৰ হল। ৰাজনৈতিক বিদ্ৰোহ থকাৰ সত্বেও ৰাজপুত সকলেও আনকি মোগল সকলৰ প্ৰভুত্ব স্বীকাৰ কৰিলে। কিছুমান ৰাজপুত তেওঁলোকৰ প্ৰভুত্ব স্বীকাৰ নকৰিলে। গতিকে যুদ্ধ বিগ্ৰহ চলি থাকিল।

ভাৰতৰ বিখ্যাত "চুলতান ফিৰোজ চাহৰ" মাক হিন্দু আছিল। দক্ষিণাত্যৰ গুলবাগৰ মুছলমান শাসকে খুব জাকজমকেৰে বিজয়নগৰৰ হিন্দু ৰাজকুমাৰীক বিয়া কৰাইছিল। ইয়াৰ পৰাই বুজা যায় যে মধ্য এচিয়া আৰু পশ্চিম এচিয়াৰ মুছলমান দেশসমূহৰ পৰা ভাৰতে সুনাম অৰ্জ্জন কৰিছিল।

১১০০ খৃঃত এজন আফ্‌গান ভৌগোলিক "ইদ্ৰিচিয়ে" ভাৰতীয় সকলৰ বিষয়ে লিখিছিল "ভাৰতীয় সকল সত্যবাদী আৰু ন্যায় পৰায়ণশীল" সত্যপথৰ পৰা এওঁলোক কেতিয়াও বিচলিত নহয়। এওঁলোক দৃঢ় বিশ্বাসী, নম্ৰ ও বন্ধুপৰায়ণ।

ভাৰতত সুনিপুণ শাসন গঢ়ি উঠাৰ লগে লগে যাতায়তৰ সা-সুবিধা আৰু সামৰিক বাহিনী গঢ়ি উঠিল। চৰকাৰে শাসনতন্ত্ৰ— কেন্দ্ৰীভূত কৰিলে যদিও আচাৰ ব্যৱহাৰ আৰু মানুহৰ স্বকীয় নিয়ম প্ৰণালীত কোনো হস্তক্ষেপ নকৰিলে।

আফ্‌গান শাসক সকলৰ ভিতৰত শেৰশাহ এজন সুনিপুণ কাৰ্য্যদক্ষ শাসক আছিল। তেওঁৱেই ভাৰতত কৰ কাতলৰ প্ৰণালী প্ৰতিস্থা কৰে। আকবৰৰ দিনত এই নিয়ম প্ৰচাৰিত হল। আকবৰৰ বিখ্যাত ৰাজহমন্ত্ৰী ৰজা তুদৰমলক শেৰশাহে প্ৰথমে নিয়োগ কৰে। আফ্‌গান শাসক সকলে হিন্দুসকলৰ বুদ্ধিক প্ৰশ্ৰয় দিছিল।

আফ্‌গান সকলৰ ভাৰত আক্ৰমণে ভাৰতৰ ওচৰত দুতৰপীয়া

ৰেখাপাত কৰিলে। হিন্দুসকল দলে দলে আফ্‌গান শাসনৰ পৰা আঁতৰি উত্তৰ ভাৰতৰ পৰা দক্ষিণ ভাৰতলৈ ভাগি গল। যি সকল উত্তৰ ভাৰতত থাকিলে তেওঁলোকে বহু কষ্ট স্বীকাৰ কৰিও নিজস্ব ৰক্ষা কৰি হিন্দু ধৰ্ম্মৰ মতেই চলি থাকিল। আনপক্ষে বিদেশীৰ চিন্তা ধাৰাত জীৱন ধাৰাৰ নীতি পালন কৰোতে বহু দেৰি হৈ গল।

এনে ভাবৰ দোখোৰ মোখোৰতেই আহি দেখা দিলে এক নতুন ভাবৰ স্থিতিয়ে। নতুন ধৰণৰ গৃহ নিৰ্ম্মাণ গঢ়ি উঠিল। আগৰ আহাৰ আৰু পিন্ধন উৰণ বদলি গল। জীৱনৰ পথক বহু ৰাস্তাই আকৰ্ষণ কৰিলে। মানুহৰ মাজত সঙ্গীতৰ জন্ম হল। ভাৰতৰ আদালতত পাৰ্শী-ভাষা আদালতৰ ভাষা হল। বহু পাৰ্শী শব্দ সকলোৰে জনাজাত শব্দ হল। লগে লগে জনগনৰো নিজ নিজ ভাষা টনকীয়াল হৈ পৰিল। ইয়াৰ মাজতেই দুৰ্ভাগ্যক্ৰমে মাইকী মানুহৰ ভিতৰত পৰ্দাৰ নিয়ম গঢ়ি উঠিল। নতুন প্ৰথা আহি পুৰণিৰ লগত মিল হোৱাৰ কাৰণেই বোধহয় এই নিয়মে সমাজত দেখা দিলে।

অতীজতে ভাৰতত চহকীসকলে মাইকী মানুহক সযতনে আলগ কৰি ৰাখিছিল। এই নিয়ম পুৰণা গ্ৰীচ সকলৰ মাজতো আছিল। ইৰাণতো চলিছিল। কিছুপৰিমাণে পশ্চিম এচিয়াতো আছিল। কিন্তু ক'তো কঠিনভাৱে সমাজত এই নিলগতাৰ প্ৰভাৱ পেলোৱা নাছিল।

বাজেনটাইনৰ এই নিয়ম কঠিনভাৱে পালন কৰা হৈছিল আৰু অন্তেৰপুৰত মাইকী মানুহৰ ৰক্ষীয়া নপুংসক সকল থৈছিল। বাজেনটাইনৰ নিয়ম ৰাচীয়ালৈ বিয়পি গল। আৰু "গ্ৰেইটপিটাৰৰ" সময়লৈকে এই নিয়ম কঠিন ভাৱে থাকিল। টাৰ্‌টাৰ সকলে কিন্তু এই নিয়ম মানি নচলিছিল। বাজেনটাইনৰ সভ্যতাই আৰৱ আৰু পাৰস্যক বহুভাৱে আকৰ্ষণ কৰিছিল আৰু উচ্চ শ্ৰেণীৰ মাইকী মানুহক সম্পূৰ্ণে নিলগাই ৰাখিছিল। এনেভাৱে মাইকী মানুহক মতা মানুহৰ